নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

...৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ১৩২ সোমবাৰ ১২ চ'ত ১৯৪৪ শক ২৭ মাৰ্চ ২০২৩ চন ASOMIYA KHABAR JORHAT MONDAY

...কৰ্মচাৰীসকল আৰু শতাধিক কৃষকে অংশ গ্ৰহণ কৰে।

...ৰ। লগতে ...পান' নামৰ ...মুখ্য শিশু ...য় কৰিছিল। ...াবাকীৰ এই ...ল্পীসকলৰ ...তৰ অসংখ্য ...াত্তৰ উন্নতি ...পন কৰিছে।

## ...নুকূল ...লীৰ ...সভা

...ট, ২৬ মাৰ্চ ...জ্ঞান-প্ৰযুক্তি ... বিভাগৰ ...ভট বিজ্ঞান ...াৰহাট খণ্ডই ...ইস্কুলত ২৪, ...ক্ষণ, একক ...পকাৰিতাৰ ...ভা অনুষ্ঠিত ...ৰক-যুৱতী, ...শগ্ৰহণ কৰা ...ৰশ অনুকূল ...ৰা কাৰ্যসূচীৰ ...ষ্ঠিত কৰা হয়।

# নতুন শিক্ষা নীতি-২০২০ৰ উদ্দেশ্য, প্ৰয়োজনীয়তা আৰু ৰূপায়ণ সন্দৰ্ভত আলোচনা

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৬ মাৰ্চ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত গুৱাহাটীৰ গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয় আৰু কানৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মূল্যায়ন কোষৰ সহযোগত নতুন শিক্ষা নীতি-২০২০-ৰ উদ্দেশ্য আৰু ইয়াৰ প্ৰয়োজনীয়তা তথা ৰূপায়ণৰ লগত সংগতি ৰাখি 'Trends in Higher Education in the Context of NEP 2020 in Assam' শীৰ্ষক আলোচনা-চক্ৰৰ আয়োজন কৰা হয়। আলোচনা-চক্ৰখনৰ আঁত ধৰে কানৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপিকা ড° লুলু মাৰিয়ম বৰগোহাঞিয়ে। আলোচনা-চক্ৰৰ আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আলোচনা-চক্ৰখনৰ উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মূল্যায়ন কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালীয়ে। ডিব্ৰুগড়স্থিত বিচিপিএলৰ মুখ্য প্ৰবন্ধক ড° প্ৰাঞ্জল কুমাৰ ফুকনে উদ্বোধনী ভাষণত কয় যে, নতুন শিক্ষানীতিৰ প্ৰয়োগে ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাই বিশ্বৰ লগত ফেৰ মাৰিবলৈ সক্ষম হ'ব। লগতে তেওঁ কয় যে, শিক্ষা নীতি সফল ৰূপায়ণ কৰিবলৈ হ'লে শিক্ষানুষ্ঠানৰ লগতে উদ্যোগসমূহেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। আলোচনা-চক্ৰখনৰ প্ৰথমজন সমল ব্যক্তি গিৰিজানন্দ বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° অলক কুমাৰ বুঢ়াগোহাঁইয়ে কয় যে নতুন শিক্ষা নীতি-২০২০-ৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত জনপ্ৰতিনিধিৰ লগতকৈ উচ্চ শিক্ষাৰ লগত প্ৰত্যক্ষভাৱে জড়িত ব্যক্তি বিশেষৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ। তেওঁ লগতে উল্লেখ কৰে যে নতুন শিক্ষা নীতিৰ বহু বিষয়ক শিক্ষাৰ সু-প্ৰবৰ্তনৰ বাবে শিক্ষানুষ্ঠানসমূহে উদাৰ মনোভাব বহন কৰিব লাগিব। আলোচনা-চক্ৰৰ দ্বিতীয়জন সমল ব্যক্তি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাক্তন অধ্যাপক ড° গোপাল চন্দ্ৰ হাজৰিকাই নতুন শিক্ষা নীতিক প্ৰশংসা কৰাৰ লগতে ইয়াক প্ৰবৰ্তন কৰিবলৈ মহাবিদ্যালয়সমূহ কেনেকৈ সাজু হ'ব লাগিব তাৰ ওপৰত বিষদভাৱে ব্যাখ্যা কৰে। অনুষ্ঠানত বিভিন্ন শিক্ষানুষ্ঠানৰ দুই শতাধিক শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত গিৰিজানন্দ বিশ্ববিদ্যালয়ৰ ড° কংকন কিশোৰ পাঠক আৰু শ্ৰী ৰাণ্মাদীপ বৰগোহাঁইয়ে ছাত্ৰ-ছাত্ৰীৰ লগত মত বিনিময় কৰে। শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যাপক ড° বিৰাজ দত্তই।

# পশ্চিম যোৰহাটৰ 'সংবাদ ভৱন'ত বিহুনাচ-ঢোল বাদন কৰ্মশালা

আমাৰ খবৰ, যোৰহাট, ২৬ মাৰ্চ ঃ পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ কাৰ্যালয় 'সংবাদ ভৱন'ৰ সমীপত আজিৰে পৰা ১ এপ্ৰিললৈকে বিহুনাচ আৰু ঢোল বাদন কৰ্মশালা অনুষ্ঠিত হৈছে। প্ৰতিদিনেই দিনৰ ৩-৫ বজালৈ অনুষ্ঠিত হ'বলগীয়া কৰ্মশালাত অঞ্চলটোৰ বহুসংখ্যক শিশুৰ লগতে কিশোৰ-কিশোৰী আৰু যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰিছে। অভিভাৱকৰ লগতে ভালেসংখ্যক বিহুপ্ৰেমী লোকৰ উপস্থিতিত বন্তি প্ৰজ্বলনৰে কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। এনাজৰী চিত্ৰকলা আৰু সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত কৰ্মশালাৰ সামৰণিৰ দিনা প্ৰশিক্ষাৰ্থীসকলে ঢোল বাদন কৰাৰ লগতে বিহুনাচ প্ৰদৰ্শন কৰিব। সেইদিনাৰ সাংস্কৃতিক অনুষ্ঠানত বহুকেইগৰাকী শিল্পীক সম্বৰ্ধনা জনাব। অনুষ্ঠানতে প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰিব। আগ্ৰহীসকলক প্ৰতিদিনেই

## ...নীয়াত ৰাজহুৱা সভা সম্পন্ন ঃ জিলা উপায়ুক্তলৈ স্মাৰক-পত্ৰ প্ৰেৰণ